# ‘অনুবন্ধ’ত লেখা প্ৰেৰণৰ নিয়মাৱলী

**Vol 3, Issue 1**

‘অনুবন্ধ’ হৈছে বাহনা মহাবিদ্যালয়ৰ আভ্যন্তৰীণ গুণমান নিশ্চিতকৰণ কোষৰ পৰা অসমীয়া ভাষাত প্ৰকাশিত Peer Reviewed শৈক্ষিক গৱেষণাধৰ্মী পত্ৰিকা। নিয়মীয়াকৈ প্ৰকাশ হৈ থকা গৱেষণাধৰ্মী পত্ৰিকা ‘অনুবন্ধ’ৰ আগন্তুক সংখ্যাত প্ৰকাশৰ উপযোগী হোৱাকৈ ইচ্ছুক লেখকসকলৰ পৰা গুণগত মানদণ্ডসম্পন্ন লেখা বিচৰা হৈছে৷ গতিকে ইচ্ছুক লেখকসকলে তলত উল্লেখিত নিৰ্দেশাৱলী মানি চলি লেখাসমূহ জমা দিবলৈ আহ্বান জনোৱা হ’ল -

**পাণ্ডুলিপিৰ দৈৰ্ঘ্য-**

- লেখাসমূহ ২০০০ৰ পৰা ৪০০০ শব্দৰ ভিতৰত হ’ব লাগিব৷

**পাণ্ডুলিপিৰ গঠন শৈলী-**

লেখাসমূহ তলত দিয়া গাঠনিৰে প্ৰস্তুত কৰাটো বাঞ্চনীয়ঃ

- **শিৰোনামঃ** নিৰ্দিষ্ট বিষয়ৰ সংগতি থকা৷
- **লেখক পৰিচয়ঃ** লেখকৰ নাম, পদবী, অনুষ্ঠান, যোগাযোগ নম্বৰ, আৰু ইমেইল আই ডি লেখাৰ শিৰোনামৰ তলতে উল্লেখ থকা বাঞ্চনীয়৷
- **সংক্ষিপ্তসাৰঃ** মূল লেখাৰ সকলো দিশ সামৰি এটি সাৰাংশ ১৫০ ৰ পৰা ২৫০ টা শব্দৰ ভিতৰত হ’ব লাগিব৷
- **বীজশব্দঃ** ৩ ৰ পৰা ৫ টা প্ৰাসংগিক বীজ শব্দ৷
- **মূল বিষয়ঃ** তালিকা, চিত্ৰ, ৰেখাংকন আৰু বিশদ আলোচনা তথা ব্যাখ্যা তথা বিশ্লেষণসম্বলিত লেখা৷
- **সামৰণিঃ** সংক্ষিপ্ত, গৱেষণাধৰ্মী আৰু চিন্তা উদ্রেককাৰী এটি সামৰণি থকা বাঞ্চনীয়৷
- **সহায়ক গ্ৰন্থপঞ্জীঃ** শৈলী তলত উল্লেখ কৰা হৈছে ।

**সহায়ক গ্ৰন্থপঞ্জী আৰু উদ্ধৃতিৰ আৰ্হি-**

- লেখকসকলে **APA** আৰ্হিত মূল লেখা আৰু গ্ৰন্থপঞ্জী প্ৰস্তুত কৰিব লাগিব৷
- পাদটীকা আৰু অন্ত্যটীকাৰ আৰ্হিৰে উদ্ধৃতি দিব নোৱাৰিব৷
- অনুবন্ধৰ দ্বিতীয় সংখ্যাত প্ৰকাশিত প্ৰবন্ধসমূহৰ উদ্ধৃতি পদ্ধতি অনুকৰণ কৰিব পাৰিব৷

**কুম্ভীলক (Plagiarism)নীতি-**

- ১০% অধিক Plagiarism গ্ৰহণ কৰা নহ’ব।
- লেখকসকলে DrillBit/Turnitin বা তেনে সমকক্ষৰ Plagiarism Software ৰ report লেখাটোৰ লগত জমা দিব লাগিব।

- যদিহে Plagiarism report দিয়াত অসুবিধা হয়, তেন্তে তেওঁলোকে অনুবন্ধৰ তৰফৰ পৰা ৫০০ টকাৰ বিনিময়ত Plagiarism report লোৱাৰ সুবিধা গ্ৰহণ গ্ৰহণ কৰিব পাৰিব৷ ইয়াৰ সবিশেষ মেইলযোগে জানিব পাৰিব৷

**লেখা যুগুতৰ (Formatting) নিৰ্দেশাৱলী-**

- লেখাসমূহ PageMaker Software ৰ ৰামধেনু Software ব্যৱহাৰ কৰি Geetanjali Font ত প্ৰস্তুত কৰিব লাগিব৷
- মূল লেখাৰ বাবে আখৰৰ জোখ 12 Point আৰু শিৰোনাৰ বাবে 14 Point ত bold কৰি দিব লাগিব।

## Peer Review প্ৰক্ৰিয়া

- প্ৰকাশৰ বাবে জমা দিয়া সকলো লেখাই Double-Blind Peer Review প্ৰক্ৰিয়াৰ দ্বাৰা বাচনি কৰা হ'ব।
- প্ৰয়োজনসাপেক্ষে লেখকে নিৰ্দিষ্ট সময়ত লেখাসমূহ সংশোধনী কৰি জমা দিব লাগিব।
- লেখাসমূহ প্ৰকাশৰ বাবে গ্ৰহণ কৰা হৈছে নে নাই সেই বিষয়ে ৪ৰ পৰা ৬সপ্তাহৰ ভিতৰত লেখকক অৱগত কৰা হ'ব।

**লেখাৰ বিষয়বস্তু -**

- তৃতীয় সংখ্যাৰ বাবে কোনো নিৰ্দিষ্ট বিষয়বস্তু নাই।

**গুৰুত্বপূৰ্ণ তাৰিখ-**

- তৃতীয় সংখ্যাৰ বাবে লেখা জমা দিয়াৰ শেষতাৰিখ- ২০ এপ্ৰিল, ২০২৫
- তৃতীয় সংখ্যা প্ৰকাশৰ তাৰিখ-৩০ এপ্ৰিল, ২০২৫

**লেখা জমা দিয়াৰ প্ৰক্ৰিয়া-**

- লেখাসমূহ নিৰ্দিষ্ট তাৰিখ বা তাৰ আগতে ই মেইলত প্ৰেৰণ কৰিব লাগিব৷
- লেখকসকলে অনুবন্ধৰ কোনটো সংখ্যাৰ বাবে প্ৰেৰণ কৰিছে, সেয়া Subject ত উল্লেখ কৰি দিব লাগিব৷
- লেখাসমূহ anubondha.journal@bahonacollege.edu.in লৈ মেইল যোগে প্ৰেৰণ কৰিব লাগিব।

**সম্পাদক, অনুবন্ধ**